**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-09-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় কেবিনেটে আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত আয় নিৰ্বিশেষে ৭০ বছৰ বয়সৰ উৰ্ধবৰ সকলো জ্যেষ্ঠ জনাইছে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে যোধপুৰ বায়ুসেনা কেন্দ্ৰত চলি থকা তৰংগ শক্তিৰ দ্বিতীয় পৰ্যায়ৰ অনুশীলন কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

৩। বাংলাদেশত অন্তৰ্বৰ্তী চৰকাৰে সংবিধানকে ধৰি ছটা গুৰুত্বপূৰ্ণ খণ্ডত সংস্কাৰ সাধনৰ উদ্দেশ্যে ষষ্ঠ আয়োগ গঠনৰ কথা ঘোষণা কৰিছে।

৫। হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ বাবে আম আদমী পাৰ্টীয়ে ষষ্ঠখন তালিকা ঘোষণা কৰিছে।

আৰু

৫। হাংগেৰীৰ বুডাপেষ্টত অনুষ্ঠিত ৪৫ সংখ্যক এফ আই ডি ই ডবা অলিম্পিয়াডৰ প্ৰথম দিনা ভাৰতে আধিপত্য বিস্তাৰ কৰিছে।

0000000

কেন্দ্ৰীয় কেবিনেটে আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত আয় নিৰ্বিশেষে ৭০ বছৰ বয়সৰ উৰ্ধবৰ সকলো জ্যেষ্ঠ নাগৰিকলৈ স্বাস্থ্য বীমাৰ সুবিধা আগবঢ়োৱাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। কেবিনেট বৈঠকৰ অন্তত কালি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, এই সিদ্ধান্তৰ ফলত জ্যেষ্ঠ নাগৰিকসকলে ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসাৰ সুবিধা লাভ কৰিব। তেওঁ কয় যে, ইয়াৰ পৰা দেশৰ প্ৰায় চাৰে ৪ কোটি পৰিয়াল আৰু ৬ কোটি জ্যেষ্ঠ নাগৰিক উপকৃত হ'ব। যোগ্য জ্যেষ্ঠ নাগৰিকসকললৈ আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত নতুন সুকীয়া কাৰ্ড জাৰি কৰা হ'ব। যোজনাখনৰ অধীনত ইতিপূৰ্বে সামৰি লোৱা পৰিয়ালৰ ৭০ বছৰ বা তাতকৈ উৰ্ধৰ জ্যেষ্ঠ নাগৰিকসকলে প্ৰতি বছৰে নিজৰ বাবে ৫ লাখ টকা পৰ্যন্ত টপ আপ কভাৰ অৰ্থাৎবৰ্তমানৰ পলিচীৰ সীমাতকৈ অধিক ধনৰাশিৰ বীমা সুবিধা লাভ কৰিব। একেদৰে ৭০ বছৰ বা তাতকৈ উৰ্ধৰ অন্য সকলো জ্যেষ্ঠ নাগৰিকে পৰিয়ালৰ ভিৰিত বছৰি ৫ লাখ টকা পৰ্যন্ত বীমা সুবিধা লাভ কৰিব। ব্যক্তিগত বীমা পলিচী অথবা কৰ্মচাৰী ৰাজ্যিক বীমা আঁচনিৰ অধীনৰ ৭০ বছৰ বা তাৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিকসকলেও এই যোজনাৰ সুবিধা লাভৰ বাবে যোগ্য বুলি বিবেচিত হ'ব।

00000000

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে যোধপুৰ বায়ুসেনা কেন্দ্ৰত চলি থকা তৰংগ শক্তিৰ দ্বিতীয় পৰ্যায়ৰ অনুশীলন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই উপলক্ষে দিয়া ভাষণত তেওঁ কয় যে এই অনুশীলনৰ উদ্দেশ্য হৈছে – দেশৰ সামৰিক সামৰ্থ্যৰ প্ৰদৰ্শন আৰু অংশগ্ৰহণকাৰী দেশসমূহৰ মাজত সহযোগিতা শক্তিশালী কৰা। দেশৰ ক্ৰমবৰ্ধমান সামৰিক শক্তিৰ কথা উল্লেখ কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে পূৰ্বে ভাৰতে প্ৰতিৰক্ষা সঁজুলি আমদানি কৰিছিল যদিও এতিয়া প্ৰতিৰক্ষা সামগ্ৰী বিশ্বৰ ৯০ খন দেশলৈ ৰপ্তানি কৰিব পৰা হৈছে। তেওঁ কয় যে দেশৰ প্ৰয়োজন অনুযায়ী প্ৰতিৰক্ষা সঁজুলি প্ৰস্তুত কৰাৰ লগতে বন্ধুত্বপূৰ্ণ দেশৰ সৈতে উচ্চ প্ৰযুক্তি বিদ্যাৰ সামগ্ৰী প্ৰস্তুত কৰাৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধি পাইছে। উল্লেখযোগ্য যে বিভিন্ন দেশৰ যুদ্ধ বিমানে এই তৰংগ শক্তি অনুশীলনত অংশ লৈছে। এই অনুশীলনৰ সময়ত ভাৰতীয় বায়ুসেনাই ভাৰতীয় প্ৰতিৰক্ষা বিমান পৰিবহণ প্ৰদৰ্শনী আই ডি এ এক্স-২৪ৰো আয়োজন কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে এই প্ৰদৰ্শনীৰ উদ্বোধন কৰে। প্ৰদৰ্শনীত বিভিন্ন প্ৰতিৰক্ষা সামগ্ৰী আৰু প্ৰযুক্তি আদিৰ প্ৰদৰ্শন কৰা হৈছে।

000000000

বাংলাদেশত অন্তৰ্বৰ্তী চৰকাৰে সংবিধানকে ধৰি ছটা গুৰুত্বপূৰ্ণ খণ্ডত সংস্কাৰ সাধনৰ উদ্দেশ্যে ষষ্ঠ আয়োগ গঠনৰ কথা ঘোষণা কৰিছে। মুখ্য উপদেষ্টা প্ৰফেচৰ মহম্মদ ইউনুছে কালি সন্ধিয়া টেলিভিচনৰ জৰিয়তে ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণত এই কথা প্ৰকাশ কৰে। এই খণ্ডসমূহ হৈছে – সংবিধান, নিৰ্বাচনী প্ৰক্ৰিয়া, আইন ব্যৱস্থা, আৰক্ষী, দুৰ্নীতি বিৰোধী আইন আৰু ৰাজহুৱা প্ৰশাসন ব্যৱস্থা মহম্মদ ইউনুছে কৈছে যে এই আয়োগৰ মুৰব্বী হিচাপে ছগৰাকী বিশিষ্ট ব্যক্তিক নিয়োগ কৰা হৈছে। এই ছগৰাকী ব্যক্তিৰ সৈতে হোৱা আলোচনাৰ পাছত আয়োগৰ অন্যান্য সদস্যসকলৰ নাম চূড়ান্ত কৰা হ'ব। তেওঁ কয় যে অহা পহিলা অক্টোবৰৰ পৰা

আয়োগৰ কাম-কাজসমূহ আৰম্ভ হোৱাৰ সম্ভাৱনা আছে আৰু পৰৱৰ্তী তিনিমাহৰ ভিতৰত আয়োগে তেওঁলোকৰ কাম-কাজসমূহ সম্পূৰ্ণ কৰিব বুলি আশা কৰা হৈছে। আয়োগৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি পৰৱৰ্তী পৰ্যায়ত চৰকাৰে দেশখনৰ গুৰুত্বপূৰ্ণ ৰাজনৈতিক দলসমূহৰ সৈতে আলোচনাত মিলিত হ'ব বুলিও তেওঁ লগতে প্ৰকাশ কৰে। প্ৰফেছৰ ইউনুছে কৈছে যে এই সংস্কাৰ কাৰ্যসূচীৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ হৈছে – দেশখনত এটা সম্পূৰ্ণ নিকা নিৰ্বাচনী ব্যৱস্থা আৰু সু-প্ৰশাসনৰ গঢ় দিয়া। তেওঁ কয় যে মুক্ত আৰু নিকা নিৰ্বাচনৰ বাবে আৰক্ষী আৰু ৰাজহুৱা প্ৰশাসন ব্যৱস্থাৰ লগতে আইন আৰু দুৰ্নীতি বিৰোধী আয়োগ অত্যন্ত গুৰুত্বপূৰ্ণ। তেওঁ লগতে সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ স্বাৰ্থ তথা প্ৰতিনিধিত্ব সুনিশ্চিত কৰাৰ উদ্দেশ্যে  সাংবিধানিক সংস্কাৰ সাধনৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

০০০০০০০০০

হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ বাবে আম আদমী পাৰ্টীয়ে ষষ্ঠখন তালিকা ঘোষণা কৰিছে। এই তালিকাখনত ১৯ গৰাকী প্ৰাৰ্থীৰ নাম প্ৰকাশ কৰা হৈছে। দলে প্ৰেম গাৰ্গক পঞ্চকুলা আসনখনৰ বাবে প্ৰাৰ্থিত্ব প্ৰদান কৰাৰ বিপৰীতে ফাতেহাবাদ আসনখনৰ বাবে কমল বিছ্লাক প্ৰাৰ্থী হিচাপে থিয় কৰোৱাইছে। আনহাতে, আম্বালা চিটী আৰু দাদ্ৰি আসনখনৰ বাবে কেতন শৰ্মা আৰু ধনৰাজ কুণ্ডুক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে।

০০০০০০০০০

কেন্দ্ৰীয় কেবিনেটে বতৰৰ আগলি বতৰা আৰু জলবায়ু সম্পৰ্কীয় তথ্যৰ ক্ষেত্ৰত অধিক সামৰ্থ আহৰণৰ উদ্দেশ্যে মিছন মৌচম যোজনাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। এই যোজনাৰ বাবদ ২ বছৰত ২ হাজাৰ কোটি টকা ব্যয় হ'ব। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, ধৰিত্ৰী বিজ্ঞান বিভাগে ৰূপায়ণ কৰিবলগীয়া এই যোজনাৰ ফলত দেশত বতৰ আৰু জলবায়ু সম্পৰ্কীয় বিজ্ঞান, গৱেষণা আৰু সেৱাৰ প্ৰসাৰ ঘটিব। এই অভিযানে সময়মতে বতৰ আৰু জয়বায়ুৰ সঠিক তথ্য প্ৰদানত সহায় কৰিব। মিছন মৌচমৰ অধীনত উন্নত চেন্সৰ, উচ্চ ক্ষমতা সম্পন্ন ছুপাৰ কম্পিউটাৰ আৰু ভৌগোলিক তথ্য ব্যৱস্থা বিশিষ্ট পৰৱৰ্তী প্ৰজন্মৰ ৰাডাৰ আৰু কৃত্ৰিম উপগ্ৰহ প্ৰণালী স্থাপন কৰা হ'ব। ইয়াৰ ফলত কৃষি, দুৰ্যোগ ব্যৱস্থাপনা, প্ৰতিৰক্ষা, পৰিৱেশ, বিমান পৰিবহণ, জল সম্পদ, শক্তি, পৰ্যটন, জাহাজ চলাচল, পৰিবহণ, বিদ্যুৎ আৰু স্বাস্থ্যৰ লেখীয়া ভালেমান খণ্ড লাভান্বিত হ'ব। নগৰীয়া পৰিকল্পনা, পথ আৰু ৰে'ল পৰিবহণ, উপকূলীয় সঞ্চালন আৰু জলবায়ু নিৰীক্ষণৰ দৰে ক্ষেত্ৰসমূহত তথ্য আধাৰিত সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়াৰ উন্নয়নত ই সহায়ক হ'ব।

০০০০০

স্বায়ত্ত শাসিত জম্মু-কাশ্মীৰত অহা ১৮ ছেপ্তেম্বৰত বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তোলা হৈছে। জম্মু-কাশ্মীৰত তিনিটা পৰ্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰথম পৰ্যায়ত কাশ্মীৰৰ দক্ষিণৰ চাৰিখন জিলাৰ ১৬ টা বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ইয়াৰ উপৰি বিজবেহাৰা সমষ্টিতো এই পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলসমূহে নিজ নিজ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযান ব্যাপক কৰি তুলিছে। ৰাজনৈতিক দলসমূহৰ তাৰকা প্ৰচাৰকসকলে নিৰ্বাচনী সমাবেশ, ৰোড শ্ব' আদিত অংশগ্ৰহণৰ জৰিয়তে দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত নামি পৰিছে। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ৫ লাখ ৬৬ হাজাৰ যুৱ ভোটদাতাকে ধৰি প্ৰায় ২৩ লাখ ২৭ হাজাৰ ভোটদাতাই তেওঁলোকৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰিব। অনন্তনাগ জিলাৰ এটা অতি গুৰুত্বপূৰ্ণ সমষ্টি বিজবেহাৰাত প্ৰাক্তন মুখ্যমন্ত্ৰী মেহবুবা মুফ্টিৰ কন্যা – পিডিপিৰ ইল্‌টিজা মুফ্টি, বিজেপিৰ ছ'ফি ইউছুফ আৰু এন চি কংগ্ৰেছৰ বশ্বিৰ আহমেদৰ মাজত তিনিকোণীয়া প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে।

০০০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে দেশৰ উত্তৰ-পূব মধ্য, পূব আৰু পশ্চিম অঞ্চলৰ বিভিন্ন প্ৰান্তত অহা ৪ দিনত ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰ আৰু উত্তৰ প্ৰদেশত আজিৰ দিনটোত প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ লগতে নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, বিহাৰ, ওড়িশা আৰু ঝাৰখণ্ডতো আজি প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা মতে মধ্য ভাৰত, কোংকন, গোৱা আৰু গুজৰাটত চলিত সপ্তাহটোত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব পাৰে। ইতিমধ্যে দিল্লী আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহত  যোৱানিশাৰে পৰা পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হৈ আছে। বৰষুণৰ ফলত ৰাষ্ট্ৰীয় ৰাজধানীখনৰ বিভিন্ন অঞ্চলত যান-বাহনৰ চলাচলতো অসুবিধাৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

অনলাইন ট্ৰেডিং গোচৰৰ অভিযুক্ত চুমি বৰা আৰু তেওঁৰ স্বামী তাৰ্কিক বৰাই যোৱানিশা ডিব্ৰুগড় আৰক্ষীৰ সন্মুখত আত্ম-সমৰ্পন কৰে। ভুৱা ট্ৰেডিঙৰ নামত কোটি কোটি টকা লুণ্ঠন কৰাৰ অভিযোগত বিশাল ফুকনক গ্ৰেপ্তাৰৰ পাছৰেপৰা চুমি বৰা আৰু তেওঁৰ স্বামী পলাতক অৱস্থাত আছিল। দহদিন পলাতক হৈ থকাৰ বাবে অসম আৰক্ষীয়ে তেওঁলোকলৈ লুক-আউট জাননী জাৰি কৰিবলগীয়া হৈছিল। ডিব্ৰুগড় আৰক্ষীয়ে অভিযান চলাই চলিত মাহৰ আৰম্ভণিতে গ্ৰেপ্তাৰ হোৱা এই কেলেংকাৰীৰ মূল অভিযুক্ত বিশাল ফুকনৰ সৈতে জড়িত থকাৰ অভিযোগত চুমি বৰা আৰু তেওঁৰ স্বামীক আটক কৰিছে।

০০০০০০০০

হাংগেৰীৰ বুডাপেষ্টত অনুষ্ঠিত ৪৫ সংখ্যক এফ আই ডি ই ডবা অলিম্পিয়াডৰ প্ৰথম দিনা ভাৰতে আধিপত্য বিস্তাৰ কৰিছে। উদ্বোধনী শাখাৰ প্ৰথম ৰাউণ্ডৰ ভাৰতে মৰক্কোৰ বিৰুদ্ধে ৪-০ ফলাফলত জয়লাভ কৰাৰ বিপৰীতে মহিলাৰ শাখাত ভাৰতে জাৰ্মানীৰ বিৰুদ্ধে ৩ দশমিক ৫ - ০ দশমিক ৫ ফলাফলত বিজয় সাব্যস্ত কৰে।

আৰ প্ৰজ্ঞানানন্দই মৰক্কোৰ টিচিৰ মহম্মদক পৰাজিত কৰে। আনহাতে, বিদিত গুজৰাটীয়ে ঔআখিৰ মেহদী পিয়েৰক আৰু পেণ্টালা হৰিকৃষ্ণাই মৌয়াদ অনছৰ বিৰুদ্ধে বিজয় সাব্যস্ত কৰে। ইয়াৰ লগতে বিশ্বৰ চতুৰ্থ স্থানৰ অৰ্জুন এৰিগেচিয়ে এলবিলিয়া জেক্‌ছক ৪-০ ফলাফলত পৰাজিত কৰি ভাৰতৰ হৈ আন এটা বিজয় সাব্যস্ত কৰে।

মহিলাৰ শিতানত ভাৰতৰ বৈশালীয়ে শীৰ্ষ বাছনিৰ জমাইকাৰ অদানি ক্লাৰ্কক পৰাজিত কৰি শীৰ্ষস্থান দখল কৰে। তানিয়া সচদেৱে গ্ৰেবিয়ালা ৱাটচন আৰু দিব্যা দেশমুখে ৰাচেল মিলাৰক পৰাস্ত কৰে। ১২ দিন ধৰি চলিবলগীয়া এই প্ৰতিযোগিতাত এহেজাৰ ৮০০ গৰাকীৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে।

০০০০০০০০০

**সমাপ্ত**